অধ্যায় ৪ ঃ সত্রীয়া সংস্কৃতি

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ সত্রীয়া সংস্কৃতি
৪.৩.১ সত্রৰ সংজ্ঞা, উৎপত্তি
৪.৩.২ সত্রৰ বিভিন্ন বিভাগ আৰু বিস্তৃতি
৪.৩.৩ সত্রৰ বিষয়ৱবীয়া তথা প্রশাসন
৪.৩.৪ সত্রৰ নিত্যকর্ম — সত্রীয়া নাম-প্রসংগ
৪.৩.৫ সত্রৰ নৈমিত্তিক কার্য তথা সত্রৰ উৎসৱ-অনুষ্ঠান
৪.৩.৬ সত্রৰ কেতবোৰ পালনীয় আচাৰ-ৰীতি
৪.৩.৭ সত্রীয়া গীত, নৃত্য, বাদ্য আৰু ভাওনা
৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৫ অধিক জানিবলৈ
৪.৬ অগ্রগতিৰ খতিয়ান
৪.৭ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সত্রৰ মানে কি আৰু ইয়াৰ কেনেদৰে উৎপত্তি হ'ল সেই সম্পর্কে জানিব পাৰিব
- অসমৰ সত্রসমূহৰ শ্রেণীবিভাগ আৰু এইবোৰৰ প্রকৃতিৰ বিষয়ে জ্ঞান ল'ব পাৰিব
- সত্রৰ বিভিন্ন বিষয়ৱবীয়া আৰু ইয়াৰ প্রশাসন প্রণালীৰ বিষয়ে থুলমূল আভাস ল'ব পাৰিব।
- সত্রৰ বিভিন্ন আচাৰ-ৰীতি, নিত্য কর্ম আদিৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- সত্রৰ বিভিন্ন উৎসৱ-অনুষ্ঠানৰ বিষয়ে বিস্তৃত আলোচনা কৰিব পাৰিব
- সত্রত প্রচলিত গীত বিভিন্ন নৃত্য, বাদ্য, ভাওনা আদিৰ বিষয়ে বর্ণনা কৰিব পাৰিব

৪.২ পৰিচয়

ইতিমধ্যে আপুনি পূর্ৱৰ তিনিওটা অধ্যায়তে অসম, অসমীয়া, অসমীয়া সংস্কৃতি আদিৰ কেইটামান উল্লেখযোগ্য দিশ সম্পর্কে বহলাই অধ্যয়ন কৰিলে। এইটো অধ্যায়ত আপুনি অসমৰ

এক বিশেষ সাংস্কৃতিক পৰম্পৰা সত্রীয়া সংস্কৃতি সম্পর্কে বহলাই অধ্যয়ন কৰিব। সাধাৰণতে সত্রক কেন্দ্র কৰি গঢ় লোৱা সংস্কৃতিয়ে হ'ল 'সত্রীয়া সংস্কৃতি'। সত্রীয়া সংস্কৃতিয়ে সত্রীয়া সমাজৰ বিবিধ আচাৰ ব্যৱহাৰ উৎসৱ-পার্বন, ৰীতি-নীতি, নিত্য-নৈমিত্তিক কর্ম, গীত, নৃত্য, বাদ্য, অভিনয়, খোৱা-বোৱা, বিশ্বাস-পৰম্পৰা আদি সমুদায় বিষয়ক বুজায়।

অসমত সত্রীয়া সংস্কৃতিৰ প্ৰৱর্তন কৰে মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে সত্র আৰু নামঘৰৰ যোগেদি। নৱ-বৈষ্ণৱ আন্দোলনৰ ফলস্বৰূপে মহাপুৰুষ জনাই খ্ৰীষ্টীয় পঞ্চদশ শতিকাতে সত্র আৰু নামঘৰ প্রতিষ্ঠা কৰে। মহাপুৰুষ জনাই দি যোৱা সত্র আৰু নামঘৰে অসমৰ ধর্মীয়, সামাজিক, সাংস্কৃতিক আদি আটাইকেইটা দিশতে প্রভাৱ বিস্তাৰ কৰি আহিছে। সত্রসমূহক কেন্দ্র কৰিয়েই সাহিত্য, সংগীত আৰু বিবিধ শিল্প-কলাৰ উদ্ভাৱন ঘটিছে। মানুহক শৰণ-ভজনৰ দ্বাৰা আত্মবিশ্বাস আৰু আত্ম-উপলব্ধিৰ কর্ষণৰ বাবে সত্রই অৱদান যোগাই আহিছে। অৱশ্যে সময়ৰ পৰিবর্তনৰ বাবে ইয়াতো বিভাজন হৈছে। তাৰ ফলস্বৰূপে প্রত্যেক শাখাতে কিছুমান নিজস্ব ৰীতি-নীতি, উৎসৱ- অনুষ্ঠানৰ সৃষ্টি হৈছে। অধ্যায়টিৰ যোগেদি সত্রৰ এনেবোৰ দিশৰ পর্যালোচনা কৰা হৈছে আৰু এই অধ্যায়টো অধ্যয়ন কৰি আপুনি সত্রীয়া সংস্কৃতি সম্পর্কে সার্বিক ধাৰণা লাভ কৰিবলৈ সমর্থ হ'ব। নামঘৰ সম্পর্কে পৰৱর্তী অধ্যায়ত আলোচনা কৰা হ'ব।

৪.৩ সত্রীয়া সংস্কৃতি

অসমৰ সত্রীয়া সংস্কৃতি সম্পর্কে আলোচনা কৰিবলৈ হ'লে প্রথমতে আমি সত্র মানে কি, ইয়াৰ কেনেদৰে উদ্ভৱ হ'ল এই বিষয়েও আলোচনা কৰিব লাগিব। তলত সেই বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ল।

৪.৩.১ সত্রৰ সংজ্ঞা, উৎপত্তি

'সত্র' শব্দৰ অর্থ বিশেষভাৱে মন কৰিবলগীয়া। সৎ + ত্র = সত্র। 'সৎ' মানে ধার্মিক লোক আৰু 'ত্র' মানে উদ্ধাৰ কৰা বা ত্রাণ কৰা। অর্থাৎ সৎ লোকক ত্রাণ কৰোৱা বা পুণ্য ধামলৈ গতি কৰাৰ অর্থত 'সত্র' শব্দৰ প্রয়োগ কৰা হয়। তদুপৰি যজ্ঞ, ধর্মস্থান, দাতব্য, যোগ, সদাব্রত, ভোজনালয়, সৰোবৰ, গৃহ, অৰণ্য, সদাদান, সদাব্রত, যোগ আদি অর্থও সত্র শব্দৰে বুজোৱা হয়। 'সত্র' শব্দটি বিভিন্ন গ্রন্থত বিভিন্ন অর্থত প্রয়োগ কৰা হৈছে। *ভাগৱতৰ* প্রথম স্কন্ধত সত্র শব্দৰ প্রয়োগ এনেদৰে পোৱা যায়।

নৈমিষে নিমিষে ক্ষেত্রে ঋষয় ঃ শৌণকাদয়ঃ।
সত্রং স্বর্গায় লোকায় সহস্র সমমাসত্য।

মহাপুৰুষ শংকৰদেৱে শৌণকাদি ঋষিসকলৰ ভাগৱত সত্রৰ বর্ণনা এনেদৰে দিছে—

আঠাইশ সহস্র ঋষি বেদত প্রধান।

বিষ্ণুৰ নৈমিষ ক্ষেত্ৰ মহাতীৰ্থ স্থান।।
মান্য কৰি সূতক পাতিলা সত্ৰ তথা।
শৌনক প্ৰমুখ্যে শুনে ভাগৱত কথা।।

নাৰায়ণ চন্দ্ৰ গোস্বামীৰ *সত্ৰীয়া সংস্কৃতি স্বৰ্ণৰেখাত* 'সত্ৰ' শব্দটো 'যজ্ঞ ভূমি' ৰূপত ব্যৱহাৰ কৰিছে। যজ্ঞ মানে পৱিত্ৰ অৰ্থাৎ পৱিত্ৰ ভূমি। এই পৱিত্ৰ ভূমিৰ অৰ্থ শংকৰদেৱে *কীৰ্তন* পুথিত এনেদৰে দিছে।

তোমাৰ চৰণ চিন্তি যথাত ভকত থাকে
সেহি পুণ্য সেহি তীৰ্থ স্থান।
তোমাৰ অমৃত কথা ধাৰায়ে বহয় যথা
তাক যিটোজনে কৰে পান।

শংকৰদেৱে কৰা *ভাগৱতৰ* দ্বাদশ স্কন্ধৰ অনুবাদত 'সত্ৰ' শব্দটো আকৌ ঋষিসকলে কৰা যজ্ঞাদি কৰ্মৰ অৰ্থত ব্যৱহাৰ কৰিছে। যেনে—

অথৰ্ববেদীয় বিপ্ৰসমস্তক আনি।
পাতিলন্ত সৰ্পসত্ৰ মহাকুণ্ড খানি।।

সেইদৰে 'সত্ৰ' শব্দৰ সংজ্ঞা বিভিন্ন পণ্ডিতে তেওঁলোকৰ গ্ৰন্থত বিভিন্ন ধৰণে আগবঢ়াইছে। বৈকুণ্ঠ নাথ ভট্টদেৱে তেওঁৰ *শৰণ মালিকাত* সত্ৰৰ সংজ্ঞা এনেদৰে দিছে—

যত্ৰাচৰন্তি স দ্ধৰ্মান কেৱলা ভগৱৎ প্ৰিয়া ঃ
নৱধা ভগৱদ্ভক্তি প্ৰত্যহং যত্ৰ বিদ্যতে
তৎ সত্ৰং উত্তম ক্ষেত্ৰং বৈষ্ণৱ সুৰ-বন্দিতম্
তত্ৰস্থা বৈষ্ণৱাঃ সৰ্বাঃ হৰিনাম পৰায়ণা।।

অৰ্থাৎ — যি স্থান দেৱতা আৰু বৈষ্ণৱৰ দ্বাৰা বন্দিত, যি স্থানত একান্ত ভক্তসকলে ঈশ্বৰৰ প্ৰিয় কাৰ্য সাধন কৰে, যি স্থানত দৈনন্দিন নৱবিধ ভক্তিয়ে বিৰাজ কৰে, সেই শ্ৰেষ্ঠ স্থানকে সত্ৰ বুলি কোৱা হয়। তাত বাস কৰা সকলো বৈষ্ণৱ হৰিনাম পৰায়ণ।

সত্ৰীয়া সংস্কৃতি স্বৰ্ণৰেখাত লিখিছে — "য'ত ঈশ কথা ভক্তৰ মুখত প্ৰকাশ পায়, য'ত অবিৰাম ভক্তৰ সমাবেশ হৈ যৎ সংলাপ কৰোঁতে নিজানন্দ সুখ পৰিপূৰ্ণ বৈকুণ্ঠ পৰি হৰি ভগৱন্তে তন্ময় ৰিতস্ত ভক্তৰ আকুল আহ্বানত তেৰাসৱৰ নিকটস্থ হৈ আত্মবিস্মৃত হয়, সেই ভক্ত ভগৱন্তৰ পদ ৰজপুত স্থানেই হ'ল সত্ৰ/স্থান।"

মহাপুৰুষ শংকৰদেৱে অসমত সত্ৰ প্ৰতিষ্ঠা কৰিলে যদিও তেওঁৰ দিনত সত্ৰ শব্দটো ধৰ্মানুষ্ঠানৰ ক্ষেত্ৰত বৰকৈ ব্যৱহাৰ কৰা দেখা নাযায়। গুৰু জনাই নিজেও 'সত্ৰ' শব্দটো ব্যৱহাৰ কৰা নাছিল। তাৰ সলনি তেওঁ সেই অনুষ্ঠানবোৰক বুজাবলৈ 'দেৱগৃহ' বা 'হৰি গৃহ' বুলিছিল। সেই সময়ত সত্ৰৰ ঠাইত থান/স্থান আদিৰহে ব্যৱহাৰ লক্ষ্য কৰা যায়। শংকৰদেৱৰ নাতি পুৰুষোত্তম ঠাকুৰে তেওঁৰ ৰচনাত বৰদোৱা সত্ৰক বুজাবলৈ 'স্থান' শব্দ ব্যৱহাৰ কৰিছে। একেদৰে পূৰ্বতে বৰপেটা, মধুপুৰ আদি পৱিত্ৰ ঠাইক বুজাবলৈ

'থান' শব্দ ব্যৱহাৰ কৰিছিল। শংকৰদেৱে *কীর্তন*ত লিখিছে—

তোমাৰ চৰণ চিন্তি যথাত ভকত থাকে
সেহি পুণ্য তীর্থস্থান।

*কথা-গুৰু-চৰিত*ত উল্লেখ থকা অনুসৰি শংকৰদেৱে প্ৰথমবাৰ বিবাহ কৰাৰ পিছত জন্মভূমি আলিপুখুৰীত হৰি কীর্তন চর্চা কৰিবলৈ লয়। কিন্তু সেই ঠাইত অসুবিধা পোৱাত কঠিয়াতলিত চাৰিহাটী কৰি হৰি গৃহ বান্ধে আৰু ভায়েক ৰামৰায় হতুৱাই দেৱ গৃহ সজায়। এনেদৰে আৰম্ভ হৈ পিছলৈ পৰিৱর্ধিত ৰূপ গ্ৰহণ কৰি এই হৰি গৃহ বা দেৱ গৃহই সত্ৰৰ ৰূপ লাভ কৰে। অৱশ্যে, *গুৰু-চৰিত-কথাত* এই সময়সীমা দ্বিতীয় বিবাহৰ পিছত বুলি উল্লেখ আছে। সময়ৰ কথা আঁতৰাই থৈ সামগ্ৰিকভাৱে এয়াই ক'ব পাৰি যে, শংকৰদেৱে নাম প্ৰসংগ, ভাগৱত পাঠ আৰু হৰিকথা চর্চাৰ বাবে পোনতে যি গৃহ নির্মাণ কৰিছিল সেই গৃহকেই দ্বিজ ভূষণ, ৰামচৰণ আদি চৰিতকাৰে পৰৱর্তী কালত সত্র গৃহ নাম দিয়ে। শংকৰদেৱে দি যোৱা সত্ৰৰ এই প্ৰাথমিক ভেটিটোৰ পৰাই তেওঁৰ বিয়োগৰ পিছত প্ৰধান শিষ্য মাধৱদেৱে বৰপেটা আৰু সুন্দৰীদিয়াত, দামোদৰদেৱে পাটবাউসীত, হৰিদেৱে বহৰিত সত্র প্ৰতিষ্ঠা কৰে। উল্লেখযোগ্য যে মহাপুৰুষ শংকৰদেৱে সত্ৰৰ বীজটোহে ৰুইছিল, ই পত্রে-পুষ্পে বিকশিত হৈ পৰে পৰৱর্তী কালত মাধৱদেৱ আৰু দামোদৰদেৱৰ প্ৰচেষ্টাত। সত্র এখনৰ কেন্দ্রত পূৱা-পশ্চিমাকৈ থাকে নামঘৰ আৰু চাৰিওফালে কাষতে ভকতসকল থাকিবৰ বাবে থাকে হাটী। লক্ষ্মীনন্দন বৰাৰ ভাষাৰে ক'ব পাৰি "নামঘৰ আৰু হাটীৰ সংমিশ্রণেই হ'ল সত্র।"

৪.৩.২ সত্ৰৰ বিভিন্ন বিভাগ আৰু বিস্তৃতি

সত্ৰৰ অধিকাৰ, ভকত আদিৰ প্ৰকৃতি অনুসৰি সত্রানুষ্ঠানবোৰক সাধাৰণতে তিনিটা শ্রেণীত ভগাব পাৰি, যথা— (ক) উদাসীন (খ) অর্ধ-উদাসীন আৰু (গ) গৃহস্থী।

যিবোৰ সত্র কেৱল উদাসীন বা কেৱলীয়া ভকতৰ বাসস্থান, য'ত ঈশ্বৰ চিন্তা উপাসনা আদিয়েই ভকতসকলৰ দৈনন্দিন জীৱনৰ প্ৰধান কার্যসূচী, য'ত নাৰীৰ ৰাত্রি বাস নিষেধ, যিবোৰৰ চৌহদত সাধাৰণতে গৃহস্থী জীৱন-যাপন কৰিবলৈ দিয়া নহয়, তেনেবোৰ সত্রক উদাসীন সত্র বুলি কোৱা হয়। যেনে — আউনীআটী সত্র, দক্ষিণপাট আদি।

যিবোৰ সত্ৰৰ নির্দিষ্ট দিশত গৃহস্থী বা গৃহীসকলৰ বাসস্থান আৰু তাৰ বিপৰীতে নির্দিষ্ট দিশত উদাসীনসকলৰ হাটীৰ ব্যৱস্থা আছে; য'ত সত্রাধিকাৰ, ডেকা সত্রাধিকাৰ আদি মুখ্য সত্রীয়াসকলে উদাসীন জীৱন-যাপন কৰে, তেনেবোৰ সত্রক অর্ধ-উদাসীন সত্র বোলা হয়। যেনে— বৰপেটা সত্র।

আনহাতে যিবোৰ সত্ৰৰ সত্রীয়াসকলে সমাজৰ আন দহজনৰ দৰেই গৃহস্থী জীৱন-যাপন কৰি তাৰ মাজতে শিষ্যক শৰণ দি ধর্মীয় আচাৰ-অনুষ্ঠান পালন কৰি ধর্ম

প্রচাৰ আদিত অৰিহণা যোগাই আহিছে তেনেবোৰ সত্রই হ'ল গৃহস্থী বা গৃহী সত্র। অসমৰ সৰহখিনি সত্র এই শ্রেণীৰ।

চৰিতকাৰসকলৰ আদর্শ অনুসৰি আকৌ সত্রসমূহক তিনিটা ভাগত ভগাব পাৰি, যথা — (ক) মূল (খ) আজ্ঞাপৰ আৰু (গ) শলাবন্তি।

যেতিয়া কোনো ভকত বা শিষ্যই গুৰুৰ আজ্ঞালৈ বা আদেশক্রমে নতুন সত্র প্রতিষ্ঠা কৰে, তেতিয়া তেনে সত্রক আজ্ঞাপৰ সত্র বোলা হয়। আকৌ, যেতিয়া মূল সত্র প্রতিষ্ঠাতাৰ সতি-সন্ততিসকলে মূল সত্রৰ পৰিত্র বুলি ভবা এপদ বা অধিক বস্তু নি সেই সত্রৰ নামত বা ভিন্ন নামত নতুন সত্র প্রতিষ্ঠা কৰে তেনে সত্রক শলাবন্তি সত্র বোলা হয়। অসমৰ বহুবোৰ সত্রই এই শ্রেণীৰ সত্র।

শংকৰদেৱৰ পৰৱর্তী কালত বিভিন্ন কাৰণত মহাপুৰুষীয়া ধর্মই চাৰিটা ঠালত বিভক্ত হৈ চাৰি সংহতি নামেৰে পৰিচিত হৈ পৰে। সেই চাৰি সংহতি হ'ল— ব্রহ্ম সংহতি, কাল সংহতি, নিকা সংহতি আৰু পুৰুষ সংহতি।

- *ব্রহ্ম সংহতি ঃ* দামোদৰদেৱ আৰু তেওঁৰ শিষ্য-প্রশিষ্য তথা হৰিদেৱ আৰু তেওঁৰ শিষ্য-প্রশিষ্যসকলে প্রতিষ্ঠা কৰা সত্রসমূহক এই শাখাৰ অন্তর্ভুক্ত বুলি ধৰা হয়। ব্রহ্ম সংহতিৰ প্রায়বোৰ সত্রতে ধর্মাচার্যসকল প্রধানকৈ ব্রাহ্মণ শ্রেণীৰ। এই পন্থৰ লোকসকলে ভক্তি ধর্মৰ লগতে ব্রাহ্মণৰ নিত্য-নৈমিত্তিক ৰীতি-নীতি পালন কৰে। অসমীয়া বৈষ্ণৱসকলৰ চাৰি বস্তুৰ ভিতৰত এওঁলোকে দেৱক বেছি প্রাধান্য দিয়ে। তদুপৰি বিষ্ণুমূর্তি বা বিষ্ণু নাৰায়ণৰ প্রতীক ৰূপৰ শালগ্রাম পূজাতো গুৰুত্ব আৰোপ কৰে। ভগৱান দেৱৰ গোৱিন্দপুৰ সত্র, বনমালীদেৱৰ দক্ষিণপাট সত্র, হৰিদেৱৰ মানেৰী সত্র, হৰিদেৱৰ কন্যা ভুৱনেশ্বৰীৰ নাতি পাৰা সত্র, বংশীগোপাল দেৱৰ কুৰুৱাবাহী সত্র, নিৰঞ্জন পাঠকৰ আউনীআটি সত্র, আহোম ৰজাৰ পৃষ্ঠপোষকতাত গঢ় লৈ উঠা গড়মূৰ সত্র আদি এই সংহতিৰ পৰিসৰত ধৰা হয়।



জানি থোৱা ভাল

ব্রহ্ম সংহতিৰ অন্তর্গত আউনীআটি, দক্ষিণপাট, গড়মূৰ আৰু কুৰুৱাবাহী সত্র। এই চাৰি সত্রক 'ৰজাঘৰীয়া চাৰি সত্র' বা 'বামুনীয়া চাৰি সত্র' বুলি কোৱা হয়।

- *পুৰুষ সংহতি ঃ* শংকৰদেৱৰ জীয়াৰী নাতিৰ ফালৰ পৰা 'প্রভুৰ জীউধৰা ডাল' মহাপুৰুষীয়া চাৰি সত্র— নৰোৱা, কোৱামৰা, দীঘলী আৰু চামগুৰি সত্র; পুৰুষানুক্রমে অহা আৰু গুৰু নাতি পুৰুষোত্তম ঠাকুৰ, চর্তুভূজ ঠাকুৰৰ আজ্ঞাৰে প্রতিষ্ঠিত থুলটিৰ নাম পুৰুষ সংহতি। এই শাখাৰ লোকসকলে দিয়া ব্যাখ্যা মতে মূল পুৰুষ নাৰায়ণেই এওঁলোকৰ প্রধান আৰু প্রথম উপাস্য দেৱতা সেয়ে পুৰুষ

সংহতি। আনহাতে আন এচামৰ মতে মহাপুৰুষ শংকৰদেৱ প্ৰৱৰ্তিত ধৰ্মৰ সকলো সংস্কাৰ ইয়াত অবিকলভাৱে অটুট আছে সেয়ে পুৰুষ সংহতি।

- *কাল সংহতি ঃ* গোপাল আতাৰ আজ্ঞাৰে কালজাৰ থানৰ পৰা সৃষ্টি হোৱা সত্রসমূহক কাল সংহতিৰ সত্র বুলি কোৱা হয়। গোপাল আতা 'কাল সংহতি'ৰ প্ৰৱৰ্তক। শংকৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত নৱ-বৈষ্ণৱ ধৰ্মৰ চাৰিবস্তুৰ ভিতৰত গুৰুবাদৰ ওপৰত এই সংহতিয়ে অধিক গুৰুত্ব দিয়ে। গুৰুৰ প্ৰতি একান্ত পৰাকাষ্ঠা স্থাপন কৰাই এই সংহতিৰ অন্যতম বৈশিষ্ট্য। এই সংহতিৰ অনুগামীসকলে গুৰুক ভগৱান জ্ঞান কৰি তেওঁৰ প্ৰতি ভক্তি অটুট ৰাখিবলৈ চেষ্টা কৰে। ইয়াত ব্ৰাহ্মণ্য ক্ৰিয়া-কাণ্ডৰ আধিক্য নাই। কাল সংহতিৰ সত্রসমূহৰ ভিতৰত বাঁহবাৰী, শিলিখাতল, ন-মাতি, দিহিং, মায়ামৰা আদি উল্লেখযোগ্য।
- *নিকা সংহতি ঃ* মথুৰাদাস বুঢ়া আতা, পদ্ম আতা, কেশৱ আতা আদিয়ে প্ৰতিষ্ঠা কৰা সত্রসমূহ নিকা সংহতিৰ অন্তৰ্গত। কঠোৰ নীতি কাষ্ঠা, নিষ্কাম ভাব আৰু এক শৰণৰ ওপৰত গভীৰভাৱে প্ৰাধান্য দিয়া হেতু এই শাখাটোক নিকা, নিত্য বা নিষ্ঠা সংহতি বুলি কোৱা হয়। এই সংহতি অনুগামীসকলে দৈনন্দিন জীৱনত দেহ-মনৰ পৱিত্ৰতা ৰক্ষা কৰি চলাৰ ওপৰত অধিক গুৰুত্ব দিয়ে। তদুপৰি আহাৰ-বিহাৰ, আসন-বসন ধৰ্মীয় আদি দিশত কটকটীয়া নিয়ম মানি চলে। এই সংহতিত বামুনীয়া ক্ৰিয়া কৰ্মৰ প্ৰাধান্য নাই। কমলাবাৰী, মধুপুৰ, বৰপেটা এই সংহতিৰ প্ৰধান সত্র। তদুপৰি মাধৱদেৱে প্ৰতিষ্ঠা কৰা সুন্দৰীদিয়া সত্র, লেচাকণীয়া গোবিন্দ আতৈৰ খটৰা সত্র, লক্ষ্মীকান্ত আতৈ ঢোপগুৰি সত্র, বৰ বিষ্ণু আতাৰ চমৰিয়া সত্র অন্যতম। উল্লেখযোগ্য যে এই সত্রসমূহ পূৰ্বতে পুৰুষ সংহতিৰ অন্তৰ্ভুক্ত আছিল।

উপৰ্যুক্ত চাৰিওটা সংহতিৰ পৰা গঢ় লোৱা সত্রসমূহত ক্ৰমান্বয়ে নানান ৰীতি-নীতি, ক্ৰিয়াকলাপৰ সংযোগ ঘটিল। ইয়াৰ মাজতে কিছুমান সত্রই আহোম ৰাজত্বৰ পৃষ্ঠপোষকতা লাভ কৰিলে। ফলস্বৰূপে এই সত্রসমূহত ৰাজকীয় ব্যৱস্থা সোমোৱাৰ লগতে ধনজন লাভ কৰি অভিজাত শ্ৰেণীত পৰিণত হয়। আনবোৰ সত্রই আকৌ ৰাজ অনুগ্ৰহৰ পৰা দূৰত থাকি মাথো সত্রৰ লগত জড়িত শিষ্যসকলৰ শ্ৰদ্ধা আৰু সমৰ্থনেৰে বৰ্তি থাকিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'সত্র' শব্দৰ অৰ্থ কি?

.....

প্ৰশ্ন নং ২ ঃ সংহতি অনুসৰি সত্রক কি কি ভাগত ভাগ কৰা হৈছে?

.....

৪.৩.৩ সত্রৰ বিষয়ৱবীয়া তথা প্রশাসন

প্রতিখন সত্র সুপৰিকল্পিতভাৱে পৰিচালনা কৰিবৰ বাবে কিছুমান বিষয়ৱবীয়া নিয়োজিত কৰা হয়। সত্রৰ প্রশাসন নির্ভৰ কৰে বিশেষকৈ ইয়াৰ প্রকৃতিৰ ওপৰত। সেই অনুসৰি সত্রৰ বিষয়ৱবীয়া সত্র অনুযায়ী তাৰতম্য ঘটে। তলত সত্রৰ মূল বিষয়ৱবীয়াসমূহৰ বিষয়ে উল্লেখ কৰা হ'ল।

- *অধিকাৰ ঃ* প্রতিখন সত্রতে এজন মূল বা প্রধান সত্রাধিকাৰ থাকে আৰু এওঁ বিষয়ৱবীয়াসকলৰ সহযোগত নামঘৰ, মণিকূট আৰু সত্রৰ বিভিন্ন ধর্মীয় অনুষ্ঠান আদি পৰিচালনা কৰে। কিছুমান সত্রত আকৌ একো একোজন ডেকা সত্রাধিকাৰো থাকে। প্রধান সত্রাধিকাৰৰ অনুপস্থিতিত এই ডেকা সত্রাধিকাৰজনে তেওঁৰ ঠাইত সত্র পৰিচালনা কৰে।
- *মেধি ঃ* শিষ্য সমাজখনত সম্পর্ক ৰক্ষা কৰা প্রধান বিষয়াজনেই হ'ল মেধি। মেধিক পর্যায়ক্রমে — ৰাজমেধি, বৰমেধি, পাখিমেধি আদিত বিভক্ত কৰা হয়। গুৰুকৰ, পঁচা আদি কৰ তোলাৰ দায়িত্ব মেধিৰ। কোনো কোনো সত্রত আকৌ অধিকাৰৰ প্রতিনিধিৰূপে ৰাজমেধিয়ে শৰণ-ভজনো দিয়ে।
- *মুক্তিয়াৰ ঃ* সত্রৰ পঞ্জীয়কজনক মুক্তিয়াৰ বোলা হয়। সত্রৰ হিচাপ পাতি ৰখা, অধ্যাদেশ জাৰি কৰা আদি কাম মুক্তিয়াৰৰ।
- *আলধৰা ঃ* সত্রাধিকাৰজনৰ ব্যক্তিগত কাম-কাজৰ সহায়কজনক আলধৰা বোলা হয়।
- *পাচনি ঃ* সত্রৰ ভিতৰে-বাহিৰে থকা শিষ্যসকলৰ খবৰ খাতি ৰখা জনক পাচনি বোলা হয়। এওঁ কেতিয়াবা অধিকাৰৰ আলধৰা কামো কৰে।
- *নামঘৰীয়া ঃ* সত্রৰ নামঘৰ সাৰি-মচি পৰিষ্কাৰ কৈ ৰাখিবৰ বাবে বিশেষকৈ এই ব্যক্তিজনক নিয়োগ কৰা হয়।
- *নাম লগোৱা* ঃ সত্রৰ নাম-প্রসংগ চলোৱা ব্যক্তিজনক নাম লগোৱা বোলে।
- *খাটনিয়াৰ ঃ* সত্র আৰু ৰজা ঘৰৰ মাজত বিভিন্ন বিষয়ত সম্পর্ক ৰখা ব্যক্তিজনক খাটনিয়াৰ বোলা হয়।
- *পাঠক ঃ* নাম প্রসংগৰ অন্তত *ভাগৱত, ৰত্নাৱলী* আদি পুথিৰ পদ সুৰ লগাই গোৱা ব্যক্তিজনক পাঠক বোলা হয়।
- *ভাগৱতী ঃ* এওঁ *ভাগৱত* আদি পাঠ আৰু ব্যাখ্যা কৰে।
- *গায়ন-বায়ন ঃ* নিত্য-প্রসংগ, ভাওনা আদি উৎসৱত খোল প্রসংগ কৰা, গীত-মাত গোৱা ব্যক্তি সকলেই হ'ল গায়ন-বায়ন।
- *সূত্রধাৰ ঃ* সত্রৰ প্রধান সংগীতজ্ঞ আৰু নৃত্যকাৰ জনেই হ'ল সূত্রধাৰ। এওঁ ভাওনাত সূত্রধাৰৰ ভাও দিয়াৰ উপৰিও ভাৰৰীয়া আৰু নটুৱাক ভাও, নাচ আদি শিকাব লাগে।

- *দেউৰী ঃ* মাহ প্রসাদ যোগাৰ আৰু প্রসংগৰ অন্তত সমজুৱাৰ মাজত প্রসাদ বিতৰণ কৰা লোকজনক দেউৰী বোলা হয়।
- *ওজাপালি ঃ* সংগীতজ্ঞসকলৰ ভিতৰত যিসকল অভিজ্ঞ তেওঁলোকক ওজাপালিৰ বাব দিয়া হয়।
- *খনিকৰ ঃ* ভাওনাৰ ছো-মুখা, সত্রৰ আসন, থাপনা, ঠগা, পুথি আদিত চিত্রিত কৰিবৰ বাবে ৰখা বিষয়া।

এই পদবোৰৰ উপৰি সত্রত আৰু ভালেমান পদ/বিষয়ববীয়া আছে। সেই আটাইবোৰে সত্র এখন পৰিচালনাৰ ক্ষেত্রত সহায় কৰি আহিছে।

৪.৩.৪ সত্রৰ নিত্য কর্ম — সত্রীয়া নাম-প্রসংগ

সত্রৰ দৈনিক পালনীয় কার্য তালিকাৰ ভিতৰত প্রার্থনা অন্যতম। সমূহীয়াভাৱে কৰা প্রার্থনাক 'প্রসংগ নাম' বোলা হয়। সত্রসমূহত ভক্তবৈষ্ণৱৰ সহযোগত সমূহীয়াভাৱে কৰা দৈনিক প্রার্থনাই 'চৈধ্য-প্রসংগ'। মহাপুৰুষ মাধৱদেৱক চৈধ্য-প্রসংগৰ প্রৱর্তক বুলি ধৰা হয় যদিও তেওঁৰ পৰৱর্তী পুৰুষোত্তম ঠাকুৰেহে প্রসংগ প্রণালীৰ ৰীতি-নীতিৰ এক সুনির্দিষ্ট ৰূপ দিয়ে। প্রথম অৱস্থাত চৈধ্য-প্রসংগৰ নিয়ম কটকটীয়া আছিল যদিও পাছলৈ এই নিয়ম ঢিলাহৈ চৈধ্য-প্রসংগৰ ঠাইত চাৰি-প্রসংগহে ৰ'লগৈ। বটদ্রৱা থান বর্ণনাৰ গীত এটিত এনে উদাহৰণ পোৱা যায়।

চাৰিফালে চাৰি হাটী মহা ভক্তগণ,
চাৰিও প্রসংগ কৰে নামৰ কীর্তন।

সত্রত প্রচলিত চৈধ্য-প্রসংগ হ'ল — তাল কোবোৱা, মঞ্জিৰা নাম, আইসকলৰ পু�ৱাৰ প্রসংগ, ডেৰ-পৰীয়াৰ যোৱা প্রসংগ, ডেৰ-পৰীয়াৰ প্রসংগ, পাঠ বা উপদেশ, বিয়লিৰ যোৱা বা খোল প্রসংগ, ঘোষা-কীর্তন, আইসকলৰ বিয়লিৰ নাম, সন্ধিয়াৰ তাল কোবোৱা প্রসংগ, সন্ধিয়াৰ নাম গোৱা আৰু প্রসংগ, যোৱা বা খোল প্রসংগ, ঘোষণা প্রসংগ বা ঘোষণা কীর্তন আৰু শেষ পাল যোৱা।

সত্রীয়া চৈধ্য-প্রসংগৰ ভিতৰত পুৱাৰ আইসকলৰ নাম, ডেৰ-পৰীয়াৰ নাম, বিয়লিৰ আইসকলৰ নাম আৰু সন্ধিয়াৰ গুণসহ নাম প্রসংগই প্রধান। ইয়াৰ ভিতৰত আকৌ ডেৰ-পৰীয়াৰ প্রসংগক দিনটোৰ ভিতৰত মূল প্রসংগ বুলি ধৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ সত্র এখনৰ প্রধান সত্রাধিকাৰৰ অনুপস্থিতিত সত্র এখনৰ কার্য কোনে পৰিচালনা কৰে?

.....

প্রশ্ন নং ৪ ঃ সত্রৰ চৈধ্য-প্রসংগৰ প্রৱর্তক কোন?

.....

৪.৩.৫ সত্রৰ নৈমিত্তিক কর্ম তথা সত্রৰ উৎসৱ-অনুষ্ঠান

নিত্য-প্রসংগৰ দৰে নৈমিত্তিক কেতবোৰ অনুষ্ঠান সত্রত পালন কৰা হয়। এই ক্ষেত্রত ভাদ মাহত পালন কৰা অনুষ্ঠানবোৰ বিশেষভাৱে উল্লেখযোগ্য। শাওণ আৰু ভাদ মাহৰ সংক্রান্তিৰ দিনা নাম ৰাখি মাজৰ কালছোৱাত 'গুৰু দুজনাৰ তিথি', 'জন্মাষ্টমী', 'পচতি' আদি উৎসৱ পালন কৰা হয় আৰু শেষৰ দিনা 'সামৰণি নাম' পতা হয়। কোনো কোনো সত্রত আকৌ প্রথম সংক্রান্তিৰ দিনাই পালনাম আৰম্ভ কৰি শেষৰ দিনা পাল সামৰণি মাৰে। ইয়াৰ উপৰি 'বেহাৰ গোৱা' আৰু 'বেহাৰ নচুৱা' সত্রত পালন কৰা হয়। সেইদৰে ভাদ মাহৰ গুৰু দুজনাৰ তিথি আৰু জন্মাষ্টমীত ভাওনা পতা হয়।

ভাদ মাহৰ নৈমিত্তিক উৎসৱসমূহৰ ভিতৰত গুৰু তিথি বা গুৰু কীর্তন, মাধৱদেৱৰ তিথি, জন্মাষ্টমী, নন্দোৎসৱ, নাম সামৰণি অন্যতম অনুষ্ঠান।

গুৰু তিথি বা কীর্তন বৈষ্ণৱ-ভকতসকলৰ বাবে এক উল্লেখযোগ্য পবিত্র অনুষ্ঠান। মহাপুৰুষ শংকৰদেৱৰ মহাপ্রয়াণক কেন্দ্র কৰি মাধৱদেৱৰ দিনৰে পৰা সত্রসমূহত এই তিথি অতি শ্রদ্ধাৰে অনুষ্ঠিত হৈ আহিছে। শংকৰদেৱৰ তিথিৰ দৰে মাধৱদেৱৰ তিথিও সত্রত অতি শ্রদ্ধাৰে পতা হয়। মহাপুৰুষ মাধৱদেৱৰ মৃত্যু অনুসৰি ভাদ মাহৰ কৃষ্ণা পঞ্চমীত এই তিথি পালন কৰা হয়।

ভগৱান কৃষ্ণৰ জন্মৰ ওপৰত ভিত্তি কৰি পালন কৰা অনুষ্ঠানটোৱে হ'ল জন্মাষ্টমী উৎসৱ। সেইদিনা সত্রত নির্দিষ্ট গীত, ঘোষা, কীর্তন আদি গোৱা হয়। কৃষ্ণ জন্মৰ পিছদিনা বা কেইদিনমানৰ পিছত অনুষ্ঠিত উৎসৱেই হ'ল 'নন্দোৎসৱ' বা 'পচতি উৎসৱ'। 'নাম সামৰণি অনুষ্ঠান' ভাদ মাহৰ শেষ সংক্রান্তিৰ দিনা পালন কৰা হয়। সেইদিনা চৈধ্য-প্রসংগ লগতে ৰাতিলৈ ভাওনা অনুষ্ঠিত কৰা হয়।

এই বোৰৰ উপৰি সত্রত আন বহুতো উৎসৱ-অনুষ্ঠান পালন কৰা হয়। তেনে অন্যান্য উৎসৱ-অনুষ্ঠানৰ ভিতৰত পাল নাম, সত্রাধিকাৰৰ নির্মালি লোৱা উৎসৱ, তিথি উৎসৱ, ফাকুৱা উৎসৱ, আসন প্রতিষ্ঠা উৎসৱ, থিয় নাম বা উঠা নাম আদি প্রধান।

৪.৩.৬ সত্রৰ কেতবোৰ পালনীয় আচাৰ-নীতি

সকলো ধর্মীয় সমাজতে কেতবোৰ আচাৰ-ৰীতি-নীতি পালন কৰা হয়। সত্রত আচাৰ-নীতি পালনৰ ক্ষেত্রত পুৰুষ আৰু মহিলাৰ মাজত কেতবোৰ পার্থক্য দেখা যায়। পুৰুষ- মহিলা উভয়ে গুৰু সেৱা কৰিলেও প্রায়বোৰ সত্রত নাৰীয়ে নামঘৰত নাম সেৱা নকৰি ৰান্ধনী ঘৰৰ এচুকত পাতি থোৱা থাপনাৰ ওচৰত সেৱা কৰে। সেইদৰে সত্রত

মহিলাই পুৰুষৰ লগত একেলগে বহি প্রসংগ কৰাৰ নিয়ম নাই। পুৰুষৰ দৰে খোল, দবা, নেগেৰা আদি বাদ্য-যন্ত্রও তেওঁলোকে ব্যৱহাৰ নকৰে। গুৰুসেৱা কৰোঁতে তিনিখনীয়া বস্ত্র পৰিধান কৰিব লাগে। ঋতুস্নানৰ তিনিদিন নাৰীগৰাকীক সাধাৰণতে অশুচি বুলি ধৰা হয়। গতিকে সেই কেইদিনত নাৰীগৰাকীয়ে গৰু গাই, মানুহ, কাপোৰ-কানি, বিচনা পত্র আদি স্পর্শ নকৰে। সেই কেইদিন মাটিত বিচনা পাৰি শুৱে। তৃতীয় দিনা খাৰ-চাবোনেৰে গা-মূৰ ধোৱাৰ পিছতহে শুচি বুলি ধৰা হয়। শৰণ লোৱাৰ পিছত পুৰুষসকলে মণিকূটত সোমাব পাৰে যদিও মহিলাসকলে সোমোৱাত সত্র বিশেষে বাধা আছে। জ্যেষ্ঠজনক কিবা দিলে সেৱা জনাইহে দিব লাগে। ঘৰলৈ অনা ন-কইনা এটা সন্তানৰ মাতৃ নোহোৱালৈকে ৰান্ধনী হোৱাৰ নিয়ম নাই। ৰান্ধনীয়ে ভাত ৰান্ধি প্রথমে জ্যেষ্ঠজনক সেৱা জনাই দি তাৰ পাছত বাকী পুৰুষসকলক ভাত বাঢ়ি দিয়াৰ পিছতহে মহিলাসকলে খাব লাগে।

মহিলাসকলে দেহৰ নিম্নভাগত পৰিধান কৰা বস্ত্র, কাপোৰ মেলা দাঁৰ বা ৰচী বেলেগে দিয়া হয়। যাতে তাৰ তলেদি পুৰুষসকলে পাৰ হৈ যাব নোৱাৰে। তেনে ৰচীৰ তলেদি গ'লে যাওঁতাজনৰ আয়ুস কমে বুলি ভবা হয়। গা-ধুই উঠি সাধাৰণতে শুচি বস্ত্র অর্থাৎ ধুতি পিন্ধিব লাগে। গা-নোধোৱাকৈ একোকে খোৱা নহয়। আনকি বাহি গাৰে শুদা পানী এটোপাও খোৱা নহয়। গা-ধুলেও গুৰু সেৱা কৰিহে আহাৰ গ্রহণ কৰিব লাগে। ভাত খাওঁতে পিন্ধা কাপোৰ, ৰাতি শোওঁতে পিন্ধা কাপোৰ চুৱা বুলি গণ্য কৰা হয়।

ভাত খোৱাৰ পিছত মুখ শুদ্ধি বা মুহুদি কৰিব লাগে। মান্যজনক তামোল থুৰিয়াই দিব লাগে। যিকোনো বস্তু খোৱাৰ পিছত হাত তিয়াব লাগে। কানি, ভাং, ধপাত, মদ, ধতুৰা, পিয়াজ আৰু নহৰু এই সাত বিধ বস্তু ব্যৱহাৰ কৰা নিষিদ্ধ। মৃত ব্যক্তিক স্পর্শ কৰিলে এৰাতি উপবাসে থাকিব লাগে। মৰা-শ আঁতৰত দেখিলেও গা-ধুব লাগে। ঋতুমতী লোকক স্পর্শ কৰিলে গা ধুই লগুন সলাব লাগে। কোনোৱে গুৰুতৰ অপৰাধ বা অবৈধ কাম কৰিলে উদ্ধাৰ-পৰাচিত হ'ব লাগে। গুৰু, দেৱ, নাম আৰু ভকতৰ নামত শৰণ লৈ আনত শপত খোৱাটো নীতি বিৰুদ্ধ কথা।

৪.৩.৭ সত্রীয়া গীত, নৃত্য, বাদ্য আৰু ভাওনা

সংগীত আৰু সুকুমাৰ-কলা সত্রৰ এক অন্যতম অংগ। এইবোৰৰ সাধনা আৰু বিকাশৰ ক্ষেত্রত সত্রসমূহত উল্লেখযোগ্য ভূমিকা গ্রহণ কৰি আহিছে। প্রধানকৈ মহাপুৰুষ শংকৰদেৱে আৰম্ভ কৰা অংকীয়া ভাওনাক কেন্দ্র কৰিয়েই সত্রীয়া সংগীত আৰু সুকুমাৰ কলা গঢ় লৈ উঠিছে। মহাপুৰুষ দুজনাই দি যোৱা বৰগীত আৰু নাটৰ গীতসমূহৰ উপৰি সত্রত পালিত, বর্ধিত আৰু বৰগীতৰ আর্হিত বিকশিত হোৱা সংগীত শাখাকো সত্রীয়া সংগীতৰ পৰিসীমাত ধৰা হয়। অসমীয়া জাতীয় জীৱনৰ পৰিচায়ক ৰূপে সত্রীয়া কলা

চর্চাই এক বিশেষ স্থান অধিকাৰ কৰি আছে। পৰৱৰ্তী অধ্যায়ত এই বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ব বাবে ইয়াত আৰু বহলাই আলোচনা কৰা নহ'ল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ভাদ মাহৰ শেষ সংক্রান্তিৰ দিনা সত্রত পালন কৰা উৎসৱটোৰ নাম কি? এই উৎসৱ কেনেদৰে পালন কৰা হয়?

.....

.....

প্রশ্ন নং ৬ ঃ সত্রীয়া সংস্কৃতি মতে ঘৰলৈ অনা ন-কইনাই কেতিয়াৰ পৰা ৰান্ধনী হোৱাৰ নিয়ম আছে?

.....



৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সৎ লোকক ত্রাণ কৰোৱা বা পুণ্যধামলৈ গতি কৰাৰ অর্থত সাধাৰণতে 'সত্র' শব্দ ব্যৱহাৰ কৰা হয়। যজ্ঞ, ধর্মস্থান, দাতব্য, যোগ, সদাব্রত আদি অর্থতো সত্র শব্দ প্রয়োগ কৰা হয়। মহাপুৰুষ শংকৰদেৱ অসমৰ সত্রানুষ্ঠানৰ প্রৱর্তক। গুৰুজনাই সত্রানুষ্ঠান প্রতিষ্ঠা কৰিলেও ধর্মীয় অনুষ্ঠানৰ ক্ষেত্রত 'সত্র' শব্দটো তেওঁ ব্যৱহাৰ কৰা নাছিল। তাৰ সলনি তেওঁ 'দেৱ গৃহ' বা 'হৰি গৃহ' বুলিছিল। সেইদৰে সেই সময়ত থান/স্থান বুলিহে ব্যৱহাৰ কৰিছিল। শংকৰদেৱে প্রতিষ্ঠা কৰা সত্রানুষ্ঠান পৰৱৰ্তী কালত মাধৱদেৱ আৰু দামোদৰ দেৱৰ প্রচেষ্টাত বিকশিত হয়।
- সত্রৰ অধিকাৰ, ভকত আদিৰ প্রকৃতি অনুসৰি সত্রানুষ্ঠানক উদাসীন, অর্ধ-উদাসীন আৰু গৃহস্থী এই তিনিটা ভাগত ভগাব পাৰি। চৰিতকাৰসকলৰ আদর্শ অনুসৰি আকৌ সত্রসমূহক মূল, আজ্ঞাপনৰ আৰু শলাবন্তি এই কেইটা ভাগত ভগোৱা হৈছে। সেইদৰে সংহতি, অনুসৰি সত্রানুষ্ঠানক — ব্রহ্মসংহতি, কালসংহতি, নিকাসংহতি আৰু পুৰুষ সংহতি এই চাৰিটা ভাগত ভগোৱা হৈছে।
- প্রতিখন সত্র পৰিচালনা কৰিবৰ বাবে বহু সংখ্যক বিষয়ৱবীয়া থাকে। আৰু সত্রানুসৰি বিষয়ৱবীয়াৰ সংখ্যা তাৰতম্য ঘটে। চৈধ্য-প্রসংগ সত্রৰ এক অন্যতম পালনীয় নিত্য কর্ম। চৈধ্য-প্রসংগৰ ভিতৰত পুৱাৰ ভাগত আইসকলৰ নাম, ডেৰ পৰীয়াৰ নাম, বিয়লিৰ আইসকলৰ নাম আৰু সন্ধিয়াৰ গুণসহ নাম প্রসংগই প্রধান।
- নিত্যৰ দৰে নৈমিত্তিক কেতবোৰ অনুষ্ঠান সত্রত পালন কৰা হয়। এই ক্ষেত্রত ভাদ মাহত

পালন কৰা উৎসৱসমূহক উল্লেখ কৰিব পাৰি। যেনে— গুৰু তিথি বা গুৰু কীর্তন, মাধৱদেৱৰ তিথি, জন্মাষ্টমী, নন্দোৎসৱ, নাম সামৰণি আদি।



৪.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কলিতা, পুলিন (২০১৮); *নামঘৰ বুৰঞ্জী আৰু বিৱৰণ*; গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

২) গোস্বামী, নাৰায়ণ চন্দ্ৰ (২০০৫); *সত্ৰ সংস্কৃতিৰ স্বৰ্ণৰেখা*; গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৩) দেৱগোস্বামী, কেশৱানন্দ (২০০০); *সত্ৰ সংস্কৃতিৰ ৰূপৰেখা*; ডিব্ৰুগড় ঃ বনলতা।

৪) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৫) নেওগ, মহেশ্বৰ (সম্পা.)(১৯৮৬); *গুৰু-চৰিত-কথা*; গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

৬) নেওগ, মহেশ্বৰ (২০০৮); *সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল*; গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

৭) বৰ্মন, শিৱনাথ (সম্পা.) (১৯৭৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৮) মহন্ত, প্ৰদীপ জ্যোতি (২০০৭); *শংকৰদেৱৰ শিল্পলোক*; গুৱাহাটী ঃ পূৰ্বাঞ্চল প্ৰকাশ।

৯) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৮৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰিণ্টিং এণ্ড পাব্লিছিং।

ইংৰাজী গ্ৰন্থ ঃ

১০) Goswami, S. C. (1946). *Introducing, Assam Vaisnavism.* Guwahati: Gauhati University.

১১) Mahanta, P. J. (2007). *The Sankardeva Movement: Its Cultural Horizons.* Guwahati: Purbanchal Prakash.

১২) Neog, M. (1965). *Sankardeva and His Times : Early History of the Vaisnava Faith and Movement in Assam.* Guwahati: Gauhati University.

১৩) Sarma, S. N. (1966). *The Neo Vaisnavite Movement and The Satra Institution of Assam.* Guwahati: Gauhati University.



৪.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সৎ লোকক ত্রাণ কৰোৱা বা পুণ্যধামলৈ গতি কৰা।

২ নং প্রশ্নৰ উত্তৰ ঃ ব্রহ্মসংহতি, কালসংহতি, নিকাসংহতি, পুৰুষসংহতি।

৩ নং প্রশ্নৰ উত্তৰ ঃ ডেকা সত্রাধিকাৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ মাধৱদেৱ।

৫ নং প্রশ্নৰ উত্তৰ ঃ 'নাম সামৰণি অনুষ্ঠান' ভাদ মাহৰ শেষ সংক্রান্তিৰ দিনা পালন কৰা হয়। সেইদিনা চৈধ্য-প্রসংগ লগতে ৰাতিলৈ ভাওনা অনুষ্ঠিত কৰা হয়।

৬ নং প্রশ্নৰ উত্তৰ ঃ ঘৰলৈ অনা ন-কইনা এটা সন্তানৰ মাতৃ হোৱাৰ পাচত হে ৰান্ধনী হোৱাৰ নিয়ম।



৪.৭ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক —

ক) সত্র মানে কি?

খ) সত্রত পাচনিৰ কাম কি?

গ) ডেৰ-পৰীয়াৰ প্রসংগক সত্রৰ চৌধ্য প্রসংগৰ মূল প্রসংগৰ অন্তর্গত বুলি ধৰা হয়নে?

চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসমৰ সত্রসমূহৰ শ্রেণীবিভাগ আৰু এইবোৰৰ প্রকৃতিৰ বিষয়ে ব্যাখ্যা দাঙি ধৰক।

প্রশ্ন ২ ঃ চমুটোকা লিখক— (ক) নিকা সংহতি (খ) ব্রহ্ম সংহতি

(গ) কাল সংহতি (ঘ) পুৰুষ সংহতি

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসমৰ সত্রৰ বিভিন্ন বিষয়ৱবীয়া আৰু প্রশাসন প্রণালীৰ সম্বন্ধে আলোচনা দাঙি ধৰক।

প্রশ্ন ২ ঃ সত্রত প্রচলিত বিভিন্ন উৎসৰ অনুষ্ঠানবোৰৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্রশ্ন ৩ ঃ সত্রত প্রচলিত নৃত্য-কর্ম আৰু বিভিন্ন আচাৰ ৰীতি-সম্পর্কে এটি টোকা প্রস্তুত কৰক।

*** ***** ***